**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-04-2026
**Time :** 18-45 Hrs

## ASSAMESE EVEN BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। ৪ মে'ত হ'বলগীয়া ভোটগণনা সুচাৰুৰূপে সম্পন্ন কৰাৰ উদ্দেশ্যে কাইলৈ গুৱাহাটীত প্ৰথমখন ৰাজ্যিক পৰ্যায়ৰ কৰ্মশালা।

২। ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ অহা ৩- ৪ দিনত গুৱাহাটীত ধাৰাষাৰ বৰষুণৰ আগজাননী। ৰাইজক সতৰ্ক হৈ থকাৰ আহ্বান।

৩। অভি-নীল হত্যাকাণ্ডত দোষী সাব্যস্ত ২০ জনক যাৱজ্জীৱন কাৰাদণ্ড।

৪। জ্যেষ্ঠ কংগ্ৰেছ নেতা পৱন খেড়াৰ অগ্ৰিম জামিন আবেদন নাকচ।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰু আৰু গুজৰাট টাইটানছ মুখামুখি।

ooooo

নিৰ্বাচন আয়োগে ৪ মে'ত হ'বলগীয়া ভোটগণনাৰ বাবে কাইলৈ গুৱাহাটীত প্ৰথমখন ৰাজ্যিক পৰ্যায়ৰ কৰ্মশালা অনুষ্ঠিত কৰিব। এই কৰ্মশালাত ৰাজ্যৰ প্ৰতিখন জিলাৰ আয়ুক্ত, প্ৰতিটো বিধানসভা সমষ্টিৰ বাবে নিয়োজিত ৰিটাৰ্নিং বিষয়া আৰু জিলা নিৰ্বাচন বিষয়াসকল উপস্থিত থাকিব। পৰৱৰ্তী পৰ্যায়ত ২৭ এপ্ৰিলৰ পৰা জিলাই জিলাই ভোটগণনাকাৰী বিষয়াসকলৰ প্ৰশিক্ষণ অনুষ্ঠিত হ'ব। ভোটগণনাৰ সময়ত প্ৰতিখন গণনা মেজত ন্যূনতম তিনিজনকৈ বিষয়া থাকিব। জিলা সদৰসমূহত স্থাপন কৰা ষ্ট্ৰং ৰূমৰ কাষতে সাজু কৰা প্ৰতিটো গণনা কক্ষৰ বাবে নিয়োজিত মাইক্ৰ' অবজাৰ্ভাৰ সকলো গণনা কাৰ্যত উপস্থিত থাকিব। তদুপৰি ডাক বেলট গণনাৰ বাবে সুকীয়া কক্ষ থাকিব। প্ৰতিটো বিধানসভা সমষ্টিৰ ডাক বেলট গণনাৰ বাবে গণনা কক্ষসমূহত সুকীয়াকৈ ছখন পৰ্যন্ত মেজ ৰখাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ বাবে সংশ্লিষ্ট বিষয়াসকলক জিলা পৰ্যায়ত প্ৰশিক্ষণ দিয়া হ'ব।

ooooo

নগাঁও জিলা ছেচন ন্যায়াধীশৰ আদালতে আজি অভি-নীল হত্যাকাণ্ডত দোষী সাব্যস্ত ২০ জনক যাৱজ্জীৱন কাৰাদণ্ড প্ৰদান কৰাৰ লগতে প্ৰত্যেককে ২০ হাজাৰ টকাৰ জৰিমনাৰ শাস্তি বিহে। ২০১৮ চনৰ ৮ জুনত কাৰ্বি আংলঙৰ ডকমকাত শিশু অপহৰণকাৰীৰ সন্দেহত নীলোৎপল দাস আৰু অভিজিৎ নাথ নামৰ যুৱক দুজনক নৃশংসভাৱে হত্যা কৰাৰ পাছত ৭ বছৰৰো অধিক কাল চলা বিচাৰ প্ৰক্ৰিয়াৰ অন্তত আদালতে যোৱা ২০ এপ্ৰিলত এই গোচৰৰ ৰায় দান কৰি ২০ জনক দোষী সাব্যস্ত কৰাৰ বিপৰীতে ২৫ জন অভিযুক্তক দোষমুক্ত ঘোষণা কৰে। এই হত্যাকাণ্ডৰ সৈতে মুঠ ৪৮ জন অভিযুক্তৰ নাম সাঙোৰ খাইছিল যদিও তিনিজনক আদালতে প্ৰাপ্তবয়স্ক নোহোৱা বুলি ঘোষণা কৰিছিল। ইয়াৰ পাছত ৪৫ জন অভিযুক্তৰ বিৰুদ্ধে নগাঁও জিলা ছেচন ন্যায়াধীশৰ আদালতত গোচৰ চলে। আদালতে এই গোচৰৰ শুনানি প্ৰক্ৰিয়াত ৭১ জন লোকৰ সাক্ষ্য গ্ৰহণ কৰে। এই সন্দৰ্ভত অধিবক্তা বিজন মহাজনে এইদৰে কয় -

-বাইট(বিজন মহাজন)-

সুদীৰ্ঘ ৮ বছৰীয়া ন্যায়-যুদ্ধৰ অন্তত অভি-নীল হত্যাকাণ্ডৰ বিচাৰ প্ৰক্ৰিয়াৰ আজি সামৰণি পৰে যদিও নগাঁও সত্ৰ ন্যায়াধীশৰ আদেলতে প্ৰদান কৰা এই ৰায়দানক লৈ অভি-নীলৰ পৰিয়ালৰ লগতে আত্মীয়সকল সন্তুষ্ট নহয় বুলি

সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। পৰৱৰ্তী সময়ত অধিবক্তাৰ লগত আলোচনা কৰি উচ্চ ন্যায়ালয়ত আবেদন দাখিল কৰিব বুলিও নীলোৎপল দাসৰ পিতৃয়ে আজি নগাঁও আদালত চৌহদত প্ৰকাশ কৰে।

-বাইট(গোপাল চন্দ্ৰ দাস)-

০০০০০০

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য্যই আজি দিছপুৰৰ ৰুদ্ৰ সিংহ ক্ৰীড়া প্ৰকল্পৰ ভোগেশ্বৰী ফুকননী ইন্দোৰ ষ্টেডিয়ামত আয়োজিত এটা অনুষ্ঠানত ভাৰত-স্কাউটছ এণ্ড গাইডছৰ অসম শাখাৰ ২০২৪ আৰু ২০২৫ বৰ্ষৰ ৰাজ্যিক বঁটাসমূহ প্ৰদান কৰে। অনুষ্ঠানত ৪০ গৰাকী সদস্য আৰু ২০ জন নেতাক বঁটা প্ৰদান কৰি ৰাজ্যপালগৰাকীয়ে যুৱ প্ৰজন্মৰ সৱলীকৰণ আৰু ৰাষ্ট্ৰ গঢ়াত তেওঁলোকৰ সামৰ্থৰ সদব্যৱহাৰৰ উদ্দেশ্যে চৰকাৰে গ্ৰহণ কৰা মেৰা যুৱ ভাৰত আৰু স্বামী বিবেকানন্দ অসম যুৱ সৱলীকৰণ আঁচনিৰ দৰে সূত্ৰসমূহৰ বিষয়ে আলোকপাত কৰে। তেওঁ কয় যে যুৱক-যুৱতীসকল ৰাষ্ট্ৰৰ ভৱিষ্যতে নহয় বৰং চহকী সাংস্কৃতিক ঐতিহ্যৰো ধবজাবাহক। যুৱ প্ৰজন্মই দেশৰ বিকাশৰ বাবে তেওঁলোকৰ প্ৰতিভা আৰু সামৰ্থৰ সদব্যৱহাৰ কৰিব বুলি ৰাজ্যপালগৰাকীয়ে আস্থা প্ৰকাশ কৰে। তেওঁ লগতে সেৱা, চৰিত্ৰ আৰু নেতৃত্বৰ মূল্যবোধৰ প্ৰতি দেখুওৱা প্ৰতিশ্ৰুতিৰ বাবে বঁটা প্ৰাপকসকলক প্ৰশংসা কৰে। দায়িত্বশীল আৰু যুৱ নাগৰিক গঢ়ি তোলাৰ দিশত অভিভাৱক, প্ৰশিক্ষক আৰু বিষয়াসকলৰ অৱদানৰো তেওঁ শলাগ লয়।

০০০০০

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰত কাৰাৰুদ্ধ হৈ থকা অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদনখনৰ শুনানী অহা ২৮ এপ্ৰিলত আদালতে পুনৰ গ্ৰহণ কৰিব। ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাৰ্ষ্ট ট্ৰেক আদালতে সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদনখন আজি শুনানীৰ বাবে গ্ৰহণ কৰে যদিও বিশেষ লোক অধিবক্তা জীয়াউল কামাৰে এই ক্ষেত্ৰত আদালতৰ পৰা সময় বিচাৰে। উল্লেখযোগ্য যে, নগাঁও আদালতত চলি থকা অভি-নীল হত্যাকাণ্ডৰ গোচৰতো লোক-অধিবক্তা হিচাপে অসম চৰকাৰৰ হৈ প্ৰতিনিধিত্ব কৰা কামাৰে আজি নগাঁৱৰ ছেছন আদালতে দোষী সাব্যস্ত কৰাসকলৰ শাস্তি ঘোষণা কৰাৰ প্ৰতি লক্ষ্য ৰাখি সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদনৰ বিৰুদ্ধে প্ৰত্যুত্তৰ প্ৰদানৰ বাবে আদালতৰ পৰা সময় বিচাৰে। সেই অনুসৰি, আদালতে আবেদনখনৰ পৰৱৰ্তী শুনানীৰ দিন ২৮ এপ্ৰিল ধাৰ্য্য কৰে। ইপিনে, আজি আদালতত চৰকাৰী পক্ষই অভিযুক্ত নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যৰ বিৰুদ্ধে গোচৰৰ ধাৰা আৰোপৰ যুক্তিযুক্ততা সন্দৰ্ভত যুক্তি প্ৰদৰ্শন কৰে। ইয়াৰ বিপৰীতে দুই অভিযুক্তৰ হৈ প্ৰতিনিধিত্ব কৰা আইন সেৱা প্ৰাধিকাৰীৰ অধিবক্তায়ো যুক্তি প্ৰদৰ্শন প্ৰক্ৰিয়া সম্পূৰ্ণ কৰে।

০০০০০

জ্যেষ্ঠ কংগ্ৰেছ নেতা পৱন খেড়াই গুৱাহাটী উচ্চ ন্যায়ালয়ত দাখিল কৰা অগ্ৰিম জামিন আবেদন আজি আদালতে নাকচ কৰিছে। উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পাৰ্থিৱজ্যোতি শইকীয়াৰ বিচাৰপীঠে কংগ্ৰেছ নেতাগৰাকীক অগ্ৰিম জামিন প্ৰদান কৰিবলৈ অস্বীকাৰ কৰে। উল্লেখযোগ্য যে যোৱা ২১ এপ্ৰিলত অনুষ্ঠিত শুনানিত পৱন খেড়াৰ হৈ জ্যেষ্ঠ অধিবক্তা অভিষেক মনু সিংভি আৰু কমলনয়ন চৌধুৰীয়ে যুক্তি প্ৰদৰ্শন কৰিছিল। ইয়াৰ বিপৰীতে অসম চৰকাৰৰ মহাধিবক্তা দেৱজিৎ শইকীয়াই পৱন খেড়াৰ অগ্ৰিম জামিনৰ বিৰোধিতা কৰি যুক্তি দৰ্শাইছিল। আদালতে সকলো যুক্তি শুনাৰ পাছত পৱন খেৰাৰ অগ্ৰিম জামিনৰ ৰায় সংৰক্ষিত ৰাখিছিল।

ইপিনে, জ্যেষ্ঠ কংগ্ৰেছ নেতাজনৰ অগ্ৰীম জামিন আবেদন নাকচ হোৱাৰ পাছতে মহাধিবক্তা দেৱজিৎ শইকীয়াই এখন সংবাদমেল সম্বোধন কৰে। সংবাদমেলত মহাধিবক্তা শইকীয়াই কয়, যে মুখ্যমন্ত্ৰীৰ পত্নী ৰিণিকি ভূঞা শৰ্মাই তিনিখন পাছপ'ৰ্ট আৰু বিদেশত সম্পত্তি থকা বুলি পৱন খেড়াই যি নথি-পত্ৰ দেখুৱাইছিল, সেয়া সম্পূৰ্ণৰূপে ভুৱা। তেওঁ লগতে কয়, যে পৱন খেড়াই দেখুওৱা নথি-পত্ৰসমূহ কোন উৎসৰ পৰা আনিছিল, সেয়া জনাৰ বাবে আৰক্ষীয়ে তেওঁক গ্ৰেপ্তাৰ কৰাটো বাঞ্ছনীয় বুলি আদালতে পৰ্য্যবেক্ষণ আগবঢ়াইছে।

-বাইট-

ইপিনে, নিৰ্বাচনী আচৰণ-বিধি বলবৎ হৈ থকাৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিষয়টো সন্দৰ্ভত মন্তব্য কৰাৰ পৰা বিৰত থাকে। তেওঁ কয়, যে ৪ মে'ত অসম বিধানসভা নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পাছত যদি তেওঁ পুনৰ ক্ষমতালৈ আহে, তেতিয়া এই গোচৰৰ পৰ্য্যালোচনা কৰিব।

ooooo

মৰিগাঁও জিলাৰ নেলীৰ সমীপৰ পশ্চিম কাৰ্বি আমচাই পিনুঙত তিৱা জনগোষ্ঠীৰ কৃষিকেন্দ্ৰিক লোক-উৎসৱ **য়াংলি** অৰ্থাৎ লখিমী আদৰা উৎসৱৰ আজি সামৰণি পৰে। প্ৰতি ৫ বছৰৰ মূৰে মূৰে বহাগত পালন কৰা এই তিনিদিনীয়া উৎসৱত অঞ্চলটোৰ কেইবাখনো গাঁৱৰ ৰাইজে উলহ-মালহেৰে অংশগ্ৰহণ কৰে। পূৰ্বৰ পৰম্পৰা ৰক্ষা কৰি এইবেলিও লক্ষ্মী দেৱীক সন্তুষ্ট কৰিবলৈ হাঁহ, পাৰ, ছাগলী আদি উছৰ্গা কৰি গাঁৱৰ ৰাইজে পূজা-অৰ্চনা আগবঢ়ায়। আজি উৎসৱৰ অন্তিম দিনা গাঁৱৰ যুৱকসকলে পৰম্পৰাগত সাজ-পাৰ পৰিধান কৰি পৰম্পৰাগত নৃত্য-গীত পৰিৱেশন কৰে। উল্লেখযোগ্য যে, কৃষি কাৰ্য্য সমৃদ্ধিশালী হোৱাৰ কামনাৰে তিৱা জনগোষ্ঠীয় লোকসকলে পালন কৰা এই উৎসৱত এইবেলি গোভা ৰজা দীপসিং দেওৰজাও উপস্থিত আছিল।

ooooo

ভাৰত-ভুটান সীমান্তৰ শিমলাবাৰী আৰু সোণাপুৰত সশস্ত্ৰ সীমাবলৰ ৬৪ নম্বৰ বেটেলিয়নৰ উদ্যোগত কালিৰে পৰা অনুষ্ঠিত হোৱা বিনামূলীয়া পশু চিকিৎসা শিৰিৰৰ আজি সামৰণি পৰে। সীমান্তৱৰ্তী অঞ্চলৰ পশুপালকসকলৰ পশুধনৰ স্বাস্থ্যৰ উন্নতি আৰু সজাগতা বৃদ্ধিৰ উদ্দেশ্যে এছ এছ বিয়ে গ্ৰহণ কৰা এই অভিযানত ১০০ৰো অধিক গৰু-ছাগলীক বিনামূলীয়া চিকিৎসা-সেৱা তথা ঔষধ যোগান ধৰা হয়।

ooooo

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত কাইলৈ নিশা ৮ বাজি ২ মিনিটত **শিক্ষাৰ্থীৰ জীৱনত সহ-পাঠ্যক্ৰমৰ গুৰুত্ব** শীৰ্ষক এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত ভাগ ল'ব জ্যেষ্ঠ শিক্ষক, অভিনেতা, নাট্যকাৰ তথা পৰিচালক অসীম কৃষ্ণ বৰুৱাই। অনুষ্ঠানটিৰ আঁত ধৰিব জিণ্টী ৰাণী ডেকা আৰু পৰীস্মিতা দিহিঙ্গীয়াই। অনুষ্ঠানটিৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ।

ooooo

পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ অন্ত পৰাৰ লগে লগে ৰাজ্যখনত দ্বিতীয় পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। শাসক বিৰোধী উভয়ে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে উঠি পৰি লাগিছে। প্ৰধানমন্ত্ৰী তথা বিজেপি জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে আজি দক্ষিণ চৌবিবচ পৰগনা জিলাৰ বাৰৈপুৰত এখন নিৰ্বাচনী সভাত অংশ গ্ৰহণ কৰি পশ্চিমবংগত পৰিৱৰ্তন অৱশ্যম্ভাৱী বুলি প্ৰকাশ কৰে। তেওঁ কয় যে প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ হাৰৰ পৰা শাসকীয় তৃণমূল কংগ্ৰেছ দল কেইবাখনো জিলাত শলঠেকত পৰাটো নিশ্চিত হৈছে। তেওঁ লগতে ভোটদাতাসকলক দ্বিতীয় পৰ্যায়তো এই ধাৰা অব্যাহত ৰাখিবলৈ আৰু এখন উন্নত বংগ গঢ়াত সহায় কৰিবলৈ আহ্বান জনায়। শাসকীয় দলটোৱে পৃষ্ঠপোষকতা কৰা অনুপ্ৰৱেশৰ বাবে ৰাজ্যখনৰ যুৱ প্ৰজন্ম চাকৰীৰ সন্ধানত পশ্চিমবংগৰ পৰা বাহিৰলৈ যাবলগীয়া হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে দাবী কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও আজি উত্তৰ চৌবিবচ পৰগনাৰ হিংগালগঞ্জত দলৰ হৈ প্ৰচাৰ চলায়। তেওঁ কয় যে বিজেপিয়ে প্ৰথম পৰ্যায়ত ১৫২ খন আসনৰ ভিতৰত ১১০ খনত জয়লাভ কৰিব। শাসকীয় তৃণমূল কংগ্ৰেছ দুৰ্নীতি আৰু অপশাসনত লিপ্ত হোৱা বুলি অভিযোগ তুলি শ্ৰীশ্বাহে বিজেপি ক্ষমতালৈ আহিলে মহিলাৰ বিৰুদ্ধে আতিশায্য চলোৱাৰ অভিযুক্তসকলৰ বিৰুদ্ধে থকা গোচৰসমূহ পুনৰ মুকলি কৰা হ'ব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰে। ইপিনে, তৃণমূল কংগ্ৰেছৰ মুৰব্বী তথা মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে আজি হাওৰাৰ এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় চৰকাৰে পশ্চিমবংগই পাবলগীয়া ২ লাখ কোটি টকা মুকলি কৰি দিয়া নাই বুলি অভিযোগ তোলে। শ্ৰীমতী বেনাৰ্জীয়ে তেওঁৰ নেতৃত্বত ৰাজ্যখন নিৰাপদে থকা বুলি দাবী কৰে। তেওঁ লগতে বিজেপিয়ে মণিপুৰ আৰু নয়দাত গুৰুত্ব আৰোপ কৰা উচিত বুলি মন্তব্য কৰে। তৃণমূল কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক অভিষেক বেনাৰ্জীয়ে আজি হাওৰাৰ জগৎবল্লভপুৰত দলৰ হৈ প্ৰচাৰ চলায়।

00000

শ্ৰীশ্ৰী আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড০ পীতাম্বৰ দেৱ গোস্বামীলৈ কামৰূপ জিলাৰ আধ্যাত্মিক মহিলা মঞ্চই প্ৰজ্ঞাৰত্ন সন্মান আগবঢ়াইছে। সত্ৰীয়া সংস্কৃতিৰ বিশিষ্ট সাধক, শিল্পী তথা সাহিত্যিকগৰাকীক অহা ১০ মে'ত উত্তৰ গুৱাহাটীত থকা আউনীআটী সত্ৰৰ বাকৰিত আয়োজন কৰা এটা বিশেষ অনুষ্ঠানত এই সন্মান প্ৰদান কৰা হ'ব। এই অনুষ্ঠানতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ এহেজাৰ ১১১ গৰাকী মহিলাই সত্ৰাধিকাৰজনৰ সন্মুখত দিহা নাম পৰিৱেশন কৰিব। আনহাতে, আধ্যাত্মিক মহিলা মঞ্চৰ তৰফৰ পৰা লোক-সংস্কৃতিৰ সাধক দেৱেশ্বৰ শইকীয়াক লোক-শিল্পী বঁটা, মুনীন বৰাক দিহা নাম খনিকৰ বঁটা, গীতালী শৰ্মাক জীৱনজোৰা শিল্পী সাধনা বঁটা আৰু হিমাংশু দাসক সমাজৰত্ন বঁটা প্ৰদান কৰা হ'ব।

00000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বাংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল চেলেঞ্জাৰ্চ বাংগালুৰু, গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত চেন্নাই চুপাৰ কিংছে মুম্বাই ইণ্ডিয়ানছক ১০৩ ৰানত পৰাস্ত কৰে।

00000

ঃঃ সমাপ্ত ঃঃ